②

Q. Explain the Steps taken by the Govt. for modernisation of agriculture in Assam.

Ans. [redacted].

অসমত কৃষিৰ আধুনিকীকৰণৰ বাবে চৰকাৰে গ্ৰহণ কৰা বিভিন্ন ~~পদক্ষেপ~~ ব্যৱস্থা বা পদক্ষেপৰ বিষয়ে তলত আলোচনা কৰা হ'ল —

1) <u>নতুন কৃষি কৌশল বা সেউজ বিপ্লৱৰ সূচনা</u> :—

নতুন কৃষি কৌশল বা সেউজ বিপ্লৱৰ সূচনা অসমত কিছু পলমকৈ হোৱা দেখা গৈছে। খেতিয়কক ৰাজ্যৰ কৃষি বিভাগে কৃষি উন্নয়নৰ বাবে Demonstration and Extension Programme কাৰ্যসূচী আৰম্ভ কৰিছে। তাৰ লগে লগে উচ্চ উৎপাদনক্ষম বীজৰ ব্যৱহাৰ কৰা মাটিৰ পৰিমাণ বৃদ্ধি ~~হোৱা~~ পোৱা দেখা গৈছে। কিন্তু সেই অনুপাতে শস্যৰ উৎপাদন যোৱা দুটা দশকত একেই আছে। বৰ্তমান কৃষি আধুনিকীকৰণৰ বাবে নতুন প্ৰচেষ্টা

হাতত লোৱা দেখা গৈছে। ৰাজ্য চৰকাৰে World Bank আৰু NABARD ৰ সহযোগত কৃষি আধুনিকীকৰণৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে।

2) **Assam Rural Infrastructure and Agricultural Services Project (ARIASP) :-**

World Bank -এ সাহায্য প্ৰদান কৰা ARIASP আঁচনিখন 1995 চনৰ 31 আগষ্টত আৰম্ভ কৰা হয়। এই আঁচনিয়ে কৃষিৰ উপৰিও PWD, পশুপালন, মীনপালন, জলসিঞ্চন, ৰাজহ আদিকে সামৰি লৈছে। এই আঁচনিৰ অধীনত গ্ৰামাঞ্চলত পথ আৰু দলং নিৰ্মাণ কৰা হৈছে। তদুপৰি এই আঁচনিৰ অধীনত নিম্ন ব্যয়ত কৃষিৰ সা-সঁজুলি যোগান ধৰাৰো ব্যৱস্থা আছে। ইয়াৰ অধীনত ক্ষুদ্ৰ জলসিঞ্চন আঁচনিও ৰূপায়ণ কৰা হৈছে।

3) **Kishan Credit Card (KCC) :-**

1998 চনত ভাৰতত KCC নামৰ এখন আঁচনি গ্ৰহণ কৰা হয়। এই আঁচনিৰ মূল উদ্দেশ্যই আছিল

কৃষকসকলক সময়মতে হ্রস্বকালীন ঋণৰ যোগান ধৰা। এই আঁচনিৰ অধীনত 2001 চনৰ ডিচেম্বৰলৈকে অসমত 7384 খন কাৰ্ড প্ৰদান কৰা হৈছে আৰু 1,397 লাখ টকাৰ ঋণ ~~খ~~ যোগলাই দিয়া হৈছে।

4) Shallow Tube-well (STW) আঁচনি আৰু সমৃদ্ধ কৃষক যোজনা :—

ৰাজ্যৰ কৃষি ~~ৰ~~ বিভাগৰ STW আঁচনিখন সমৃদ্ধ কৃষক যোজনাৰ অধীনত 1999-2000 চনত আৰম্ভ কৰা হয়। এই আঁচনি খন NABARD ৰ ঋণৰ ভিত্তিত ৰূপায়ণ ~~কৰি~~ কৰি অহা হৈছে। চৰকাৰে সমৃদ্ধ কৃষক যোজনাৰ অধীনত 30,000 Shallow-Tube-well স্থাপন কৰিবলৈ সমৰ্থ হৈছিল।

5) ৰাষ্ট্ৰীয় কৃষি বীমা যোজনা :—

1999-2000 চনত ৰাষ্ট্ৰীয় কৃষি বীমা যোজনা আৰম্ভ কৰা হৈছিল। ইয়াৰ মূল উদ্দেশ্য হ'ল বিভিন্ন প্ৰাকৃতিক দুৰ্যোগ যেনে, বানপানী, শিলাবৃষ্টি, ধুমুহা, শস্যৰ বেমাৰ, ~~খৰা~~ খৰাং বতৰ আদিত শস্য ক্ষতিগ্ৰস্ত হোৱা কৃষকসকলক সুৰক্ষা প্ৰদান কৰা।

6) কৃষি নীতি ২০০৪ !–

অসম চৰকাৰে 2004 চনৰ মে মাহত পোনপ্ৰথম বাৰৰ বাবে এখন কৃষি নীতি গ্ৰহন কৰে। এই নীতিৰ মূল লক্ষ্য আছিল কৃষক সকলৰ বিভিন্ন সমস্যা যেনে উপযুক্ত বজাৰ ব্যৱস্থাৰ অভাৱ, মজুত গৃহৰ অভাৱ, মধ্যশ্ৰেণীৰ উপস্থিতি আদি দূৰ কৰি কৃষি আৰু উদ্যান শস্যৰ উৎপাদনশীলতা বৃদ্ধি কৰা, উপযুক্ত জলসিঞ্চনৰ ব্যৱস্থা কৰি শস্য প্ৰয়োগৰ প্ৰৱনতা বৃদ্ধি কৰা, কৃষিত আধুনিক প্ৰযুক্তি কৌশলৰ ব্যৱহাৰ কৰা, আন্ত: গাঁথনি আৰু বিপনন ব্যৱস্থা উন্নত কৰা, বিভিন্ন শস্য উৎপাদন কৰা আদি।

এই নীতিৰ অধীনত বানপানী প্ৰৱনতা থকা অঞ্চলত 26 টা গ্ৰাম্য ভঁৰালঘৰ নিৰ্মান কৰা হৈছিল। ইয়াৰোপৰি এই নীতিৰ অধীনত ৰাজ্য চৰকাৰে প্ৰত্যেক বছৰে উচ্চ হাৰৰ সাহাৰ্যৰে ২০০০ ট্ৰেক্টৰ প্ৰদান কৰাৰ পৰিকল্পনা হাতত লৈছিল। লগতে পঞ্চায়ত আৰু

গ্ৰামোন্নয়ন বিভাগে আত্মসহায়ক গোটসমূহৰ উৎপাদিত সামগ্ৰী বিক্ৰীৰ বাবে জিলা আৰু মহকুমা সমূহত আধুনিক বজাৰ গৃহ নিৰ্মাণৰো ব্যৱস্থা গ্ৰহণ কৰিছিল ।

7) ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা :—

ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা আঁচনিখন 2007 চনত আগষ্টত একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ এটা অংশ হিচাপে আৰম্ভ কৰা হয় । এই আঁচনিৰ জৰিয়তে কৃষি আৰু ইয়াৰ আনুষংগিক খণ্ডৰ উন্নয়নৰ জৰিয়তে কৃষি খণ্ডৰ বাৰ্ষিক বিকাশৰ হাৰ 4% কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছিল ।

8) প্ৰধানমন্ত্ৰী শস্য বীমা যোজনা ( Pradhan Mantri Fasal Bima Yojana ) :—

প্ৰধানমন্ত্ৰী শস্যবীমা যোজনা 2016 চনৰ 13 ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আৰম্ভ কৰে । ইয়াৰ উল্লেখিত উদ্দেশ্য হ'ল - এই আঁচনিত প্ৰাকৃতিক দুৰ্যোগৰ শস্য সমূহৰ ফলত ক্ষতি হ'লে কৃষকসকলক আয় বীমা আৰু বিত্তীয় সহায় আগবঢ়োৱা কৃষকসকলৰ আয় সুস্থিৰ কৰা, আধুনিক বিজ্ঞান সন্মত কৃষি পদ্ধতি গ্ৰহণ কৰিবলৈ উৎসাহ প্ৰদান কৰা, কৃষিখণ্ডলৈ ঋণৰ যোগান ধৰা ইত্যাদি ।